**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 26-06-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ডৰ অধীনত দশম শ্ৰেণীৰ পৰীক্ষা বছৰত দুবাৰকৈ অনুষ্ঠিত কৰাৰ সিদ্ধান্ত।

২। অম্বুবাচী মহাযোগৰ নিবৃত্তিৰ পাছত শক্তিপীঠ কামাখ্যা মন্দিৰৰ মূল দুৱাৰ আজি ভক্তৰ বাবে পুনৰ মুকলি।

৩। ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ পৰিপ্ৰেক্ষিতত মাজুলীৰ অফলামুখ-নিমাতী ফেৰী সেৱা অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা।

৪। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আন্তৰ্জাতিক মাদকদ্ৰব্য অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন। ***আৰু***

৫। ভিয়েটনামত অনুষ্ঠিত ১৭ বছৰ অনুৰ্ধৰ এছিয়ান মল্লযুঁজ প্ৰতিযোগিতাত ভাৰতীয় মহিলা দলৰ চেম্পিয়নৰ খিতাপ।

০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা ব'ৰ্ড অৰ্থাৎ চি বি এছ্ ইৰ অধীনত দশম শ্ৰেণীৰ পৰীক্ষা বছৰত দুবাৰকৈ অনুষ্ঠিত হ'ব। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ পৰীক্ষাৰ নিয়ম অনুসৰি চি বি এছ্ ইয়ে এই নতুন পদ্ধতি সামৰি লৈছে। এই অনুসৰি চি বি এছ্ ইৰ অধীনৰ দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলে অহা বৰ্ষৰ শৈক্ষিক পঞ্জীত দুবাৰকৈ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অহা বৰ্ষৰ ফেব্ৰুৱাৰীত হ'বলগীয়া পৰীক্ষাৰ প্ৰথম পৰ্যায়ত সকলো শিক্ষাৰ্থীয়ে অৱতীৰ্ণ হোৱাটো বাধ্যতামূলক। দ্বিতীয় পৰ্যায়ৰ পৰীক্ষা মে'ত অনুষ্ঠিত হ'ব আৰু সেই পৰীক্ষাত পৰীক্ষাৰ্থীসকলে বিজ্ঞান, গণিত, সমাজ বিজ্ঞান আৰু ভাষাৰ ভিতৰত যিকোনো তিনিটা বিষয়ত তেওঁলোকৰ ফলাফল উন্নত কৰাৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। অৱশ্যে দ্বিতীয় পৰ্যায়ৰ পৰীক্ষা পৰীক্ষাৰ্থীসকলৰ বাবে বাধ্যতামূলক নহয়। দুয়োটা পৰীক্ষাৰ ফলাফল ক্ৰমে এপ্ৰিল আৰু জুনত ঘোষণা কৰা হ'ব বুলি চি বি এছ্ ইৰ পৰীক্ষা নিয়ন্ত্ৰক সান্যম ভৰদ্বাজে কালি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে চি বি এছ্ ইৰ এই সিদ্ধান্ত এটা প্ৰয়োজনীয় পদক্ষেপ বুলি মন্তব্য কৰে। ইয়াৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মানসিক চাপ হ্ৰাস পাব আৰু আনন্দপূৰ্ণ পৰিৱেশত শিক্ষা গ্ৰহণ কৰিব পাৰিব বুলিও শ্ৰীপ্ৰধানে প্ৰকাশ কৰে। ০০০০০০

০০০০০০

ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান গুৱাহাটীৰ পৰা উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বাৰ্মা সেঁতুৰ কাম ডিচেম্বৰ-জানুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰস্তুতি চলাই থকা হৈছে। গৌৰীপুৰত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতিৰ বুজ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি এই বিষয়ে প্ৰকাশ কৰে। পৰিদৰ্শনকালত ড° শৰ্মাই নিৰ্মাণকাৰ্যৰ সৈতে জড়িত প্ৰতিষ্ঠানৰ প্ৰতিনিধি, লোক নিৰ্মাণ বিভাগৰ বিষয়াৰ উপস্থিতিত ট্ৰাম্পেট

জংছন নিৰ্মাণকাৰ্যৰ বিভিন্ন কাৰিকৰী দিশৰ বিষয়ে বিশদভাৱে পৰ্যালোচনা আৰু যাৱতীয় নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে নিৰ্ধাৰিত সময়ত কামসমূহ সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

**বাইট - চি এম**

০০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি পুৱা সামৰণি পৰে। পুৱা ৩ বাজি ২৭ মিনিটত অম্বুবাচীৰ নিবৃত্তিৰ পাছত দেৱীস্নান তথা নিত্য পূজাৰ অন্তত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হয়। কালিৰেপৰা শাৰী পাতি থকা হাজাৰ হাজাৰ ভক্তৰ ইতিমধ্যে মা কামাখ্যাৰ দৰ্শনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। মন্দিৰৰ দুৱাৰ পৰৱৰ্তী দুদিন অৰ্থাৎ আজি আৰু কাইলৈ ভি আই পি পাছৰ ব্যৱস্থা বন্ধ থকাৰ উপৰি বিশেষ টিকটৰ ব্যৱস্থাও নাথাকিব। সাধাৰণ ভক্তৰ দৰ্শনৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসন আৰু মন্দিৰ কৰ্তৃপক্ষই এই ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

১৯৭৫ চনৰ ২৫ জুনত দেশত আভ্যন্তৰীণ জৰুৰী অৱস্থা ঘোষণা কৰাৰ ফলত বাক স্বাধীনতা সৰ্ব হৈছিল। সংবাদ পত্ৰৰ ওপৰত চেন্সৰশ্বিপ আৰোপ কৰা হৈছিল। জৰুৰী অৱস্থাৰ সময়ত সক্ৰিয় সাংবাদিকতাত ব্ৰতি থকা বৰ্ষীয়ান সাংবাদিক, অগ্ৰদূত কাকতৰ মুখ্য সম্পাদক কনকসেন ডেকাই আমাৰ বিশেষ সংবাদদাতা ৰাজীৱ লোচন বৰঠাকুৰৰ আগত সেই সময়ৰ দুঃসহ অভিজ্ঞতাৰ কথা এনেদৰে ব্যক্ত কৰে।

**বাইট (কনকসেন ডেকা)**

০০০০০০

অভ্যন্তৰীণ জল পৰিবহণ বিভাগে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত মাজুলীৰ অফলামুখ-নিমাতী ফেৰী সেৱা অনিৰ্দিষ্টকাললৈ বন্ধ ঘোষণা কৰিছে। ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ক্ৰমান্বয়ে বৃদ্ধি পোৱাত অফলামুখ ঘাটৰ ৰেম্প পানীত বুৰ যোৱাৰ উপৰি পানীৰ সোঁতত উটি অহা কাঠ, মেটেকা আদিৰ পৰা হ'ব পৰা অনাকাংক্ষিত পৰিস্থিতি তথা যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি অভ্যন্তৰীণ জল পৰিবহণ বিভাগে এই সিদ্ধান্ত গ্ৰহণ কৰিছে। অৱশ্যে নিমাতী-কমলাবাৰী ঘাটৰ ফেৰী সেৱা অব্যাহত আছে।

০০০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি আন্তৰ্জাতিক মাদকদ্ৰব্য অপ-ব্যৱহাৰ আৰু অবৈধ সৰবৰাহ বিৰোধী দিৱসৰ লগত সংগতি ৰাখি ভিন ভিন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মাদকদ্ৰব্যৰ অপব্যৱহাৰ ক্ৰমান্বয়ে গোলকীয় প্ৰত্যাহ্বানলৈ পৰিণত হৈছে। মাদক দ্ৰব্য মুক্ত এখন সমাজ গঢ়াৰ লক্ষ্যৰে গ্ৰহণ কৰা কাৰ্যব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এইবছৰৰ এই দিৱসৰ বিষয়বস্তু হৈছে – 'সংক্ৰমণৰ অৱসানঃ সকলোৰে বাবে প্ৰতিৰোধ, চিকিৎসা আৰু নিৰাময়'। অসমত শেহতীয়াকৈ বেজী অথবা চিৰিঞ্জেৰে মাদকদ্ৰব্যৰ আদান-প্ৰদানৰ ফলত এইচ আই ভি সংক্ৰমণ বৃদ্ধি পোৱা বুলি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে প্ৰকাশ কৰিছে। ৰাজ্যৰ ৯ খন জিলা চিকিৎসালয়কে ধৰি গুৱাহাটী কেন্দ্ৰীয় কাৰাগাৰত এইচ আই ভিৰ পৰীক্ষাৰ ব্যৱস্থা আছে।

উল্লেখযোগ্য যে মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ই যোৱা ১২ জুনৰ পৰা বৰ্তমানলৈকে **নিচামুক্ত ভাৰত পাখৰাৰা** উদযাপন কৰি আহিছে। চলিত বৰ্ষৰ জুন পৰ্যন্ত নিচামুক্ত ভাৰত অভিযানৰ জৰিয়তে ১৫ কোটি ৭৮ লাখৰো অধিক লোকক মাদক দ্ৰব্য সেৱনৰ ভয়াৱহতাৰ বিষয়ে সজাগ কৰা হৈছে।

ডিব্ৰুগড় জিলা সমাজ কল্যাণ বিভাগৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কালি নিচামুক্ত ভাৰত অভিযানৰ অধীনত সজাগতা সমদল উলিওৱা হয়। ডিব্ৰুগড় নগৰ সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ৰ

পৰা চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উলিওৱা এই সমদল ডিব্ৰুগড় পৌৰ নিগমৰ মেয়ৰ ডং চৈকত পাত্ৰই শুভাৰম্ভ কৰে। সমদলত অংশগ্ৰহণকাৰীসকলে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ মাদকদ্ৰব্যৰ ভয়াৱহতাৰ বিষয়ে সচেতনতা সৃষ্টিৰ প্ৰয়াস কৰে।

যোৰহাট জিলাৰ আৰক্ষী অধীক্ষকৰ নেতৃত্বত কালি জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানত মাদকদ্ৰব্যৰ বিৰুদ্ধে সজাগতা কাৰ্যসূচীৰ আয়োজন কৰা হয়।

তিনিচুকীয়া জিলাত নিচামুক্ত ভাৰত অভিযান সন্দৰ্ভত এয়া আমাৰ জিলাখনৰ সংবাদদাতা মনোৰঞ্জন মৰাণ –

**বাইট**

oooooo

গোলাঘাট জিলাৰ বোকাখাতৰ পাণবাৰী চি আৰ পি এফ শিবিৰত মঙলবাৰে নিশা সংঘটিত গ্ৰেণেড বিস্ফোৰণৰ ঘটনা সংক্ৰান্তত আৰক্ষীয়ে দুজন যুৱকক আটক কৰিছে। এই ঘটনাত ব্যৱহৃত মটৰ চাইকেলখন চিনাক্ত কৰি আৰক্ষীয়ে মটৰ চাইকেলৰ গৰাকীক আটক কৰি জেৰা অব্যাহত ৰাখিছে। ইপিনে, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে প্ৰাৰম্ভিক তদন্তত এই ঘটনাৰ সৈতে গঁড়ৰ চোৰাং চিকাৰী অথবা মাদক দ্ৰব্য সৰবৰাহকাৰী জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে পাণবাৰীৰ চি আৰ পি এফৰ শিবিৰলৈ লক্ষ্য কৰি দুৰ্বৃত্তই দলিয়াই থৈ যোৱা গ্ৰেণেড বিস্ফোৰণত অসম আৰক্ষীৰ তিনিজন জোৱান গুৰুতৰভাৱে আহত হয়। আহত জোৱানকেইগৰাকী বৰ্তমান বৰ্তমান বিপদমুক্ত বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

oooooo

গুৱাহাটীৰ সত্ৰীয়া কেন্দ্ৰৰ উদ্যোগত মৰিগাঁৱত আজিৰেপৰা ২৯ জুনলৈ পঞ্চদশ অংকীয়া ভাওনা সমাৰোহৰ আয়োজন কৰা হৈছে। প্ৰতিদিনে সন্ধিয়া ৬ বজাৰ পৰা ভাওনা পৰিৱেশন কৰা হ'ব। ভাওনা সমাৰোহৰ সৈতে সংগতি ৰাখি কাইলৈ আৰু পৰহিলৈ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে আলোচনাচক্ৰ আৰু বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। সমাৰোহত কেলিগোপাল, অৰ্জুন ভঞ্জন, পত্নীপ্ৰসাদ, চোৰধৰা, পাৰিজাত হৰণ আদি নাট মঞ্চস্থ কৰা হ'ব।

oooooo

ভিয়েটনামৰ ৰুং টাউত অনুষ্ঠিত ১৭ বছৰ অনুৰ্ধৰ এছিয়ান মল্লযুঁজ প্ৰতিযোগিতাত ভাৰতীয় মহিলা দলে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিছে। ভাৰতে ৫টা সোণ, ৩ টা ৰূপ আৰু ২ টা ব্ৰঞ্জৰ পদকেৰে মুঠ ১০ টা পদক লাভ কৰি ২১৫ পইন্টেৰে চেম্পিয়নৰ খিতাপ অৰ্জন কৰিবলৈ সমৰ্থ হয়। প্ৰতিযোগিতাত চীনে ১৫১ পইন্টেৰে দ্বিতীয় স্থান আৰু জাপানে ১৪৯ পইন্টেৰে তৃতীয় স্থান দখল কৰে।

oooooo

দেশৰ মহাকাশ বিজ্ঞানৰ ইতিহাসত নতুন অধ্যায়ৰ সংযোজন ঘটাই ভাৰতীয় বায়ুসেনাৰ গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই কালি মহাকাশ অভিমুখে ৰাওনা হয়। AXIOM-4 মহাকাশ অভিযানৰ অধীনত মহাকাশলৈ ৰাওনা হোৱা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাৰ সৈতে আন তিনিগৰাকী মহাকাশচাৰীয়েও যাত্ৰা কৰিছে। ভাৰতীয় মহাকাশচাৰীজনক কঢ়িয়াই নিয়া মহাকাশ যানখনে ২৮ ঘণ্টীয়া মহাকাশ ভ্ৰমণৰ অন্তত আজি বিয়লি চাৰে ৪ বজাত আন্তঃৰাষ্ট্ৰীয় মহাকাশ আস্থান পাবগৈ। এই বাতৰিটোৰে আজি অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন, অসমীয়া খবৰ, নিয়মীয়া বাৰ্তাকে ধৰি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়ে আটাইকেইখন বাতৰি

কাকতে ভিন ভিন শিৰোনামেৰে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিনৰ শিৰোনাম **ইতিহাস গঢ়ি মহাকাশত শুভাংশু শুক্লা**। দি আছাম ট্ৰিবিউনৰ শিৰোনাম **INDIA RETURNS TO HUMAN SPACEFLIGHT AFTER 41 YEARS**।

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি পুৰা সামৰণি পৰে। আজি পুৱা নিবৃত্তিৰ লগে লগে ভক্তৰ বাবে মন্দিৰৰ দ্বাৰ পুনৰ মুকলি কৰা হয়। এই বাতৰিটো আমাৰ অসম, অসমীয়া প্ৰতিদিনকে ধৰি প্ৰায়কেইখন বাতৰি কাকতে সবিস্তাৰে প্ৰকাশ কৰিছে।

নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ দৈনিক উৎপাদন ২ হাজাৰ মেগাৱাটৰ বিপৰীতে মাত্ৰ ২০৮ মেগাৱাট বিদ্যুৎহে অসমক বিক্ৰী কৰিব বুলি প্ৰকল্পটোৰ কৰ্তৃপক্ষই জনাইছে। এই নিম্ন পৰিমাণৰ বিদ্যুতেৰে অসমৰ বৰ্ধিত বিদ্যুতৰ চাহিদা পূৰণত সমস্যাৰ সৃষ্টি হ'ব। এই বাতৰিটো দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত বক্স বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে বনাঞ্চল আৰু জলাশয়ৰ মাটিসমূহ বেদখলমুক্ত কৰাৰ বাবে চলোৱা অভিযান বন্ধ নকৰে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কৰা মন্তব্যৰ এটা বাতৰিক দা ছেণ্টিনেল কাকতে **I'M ADDICTIVELY COMMITTED TO HANDING OVER ENCROACHED LANDS TO OUR PEOPLE : CM** শিৰোনামেৰে মুখ্য বাতৰিত স্থান দিছে।

আহক, এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

বতৰৰ বতৰা-

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

সমাপ্ত